NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-03-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। আসন্ন লোকসভা নিৰ্বাচনৰ সময়-সূচী ঘোষণা কৰা হৈছে। এই বেলি সাতটা পৰ্য্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

২। অসমত ৩টা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

৩। ৪ জুনত ভোট গণনা কৰা হ'ব।

৪। ভাৰতীয় তথ্য সেৱাৰ বিষয়া মৌচুমী চক্ৰৱৰ্তীয়ে আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ পৰৱৰ্তী সঞ্চালক প্ৰধানৰ দায়িত্বভাৰ গ্ৰহণ কৰিব।

*আৰু*

৫। ৰয়েল চেলেঞ্জাৰ্চ্ বাংগালোৰ কাইলৈ দিল্লীত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ডেল্‌হি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

আসন্ন লোকসভা নিৰ্বাচনৰ সময়-সূচী ঘোষণা কৰা হৈছে। সেই অনুসৰি, এই বেলি সাতটা পৰ্য্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ৪ জুনত ভোট গণনা কৰা হ'ব। নিৰ্বাচন আয়োগে আজি সাধাৰণ নিৰ্বাচনৰ সমান্তৰালভাৱে চাৰিখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰো ভোটগ্ৰহণৰ সূচী ঘোষণা কৰে। ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্য্যায়ৰ নিৰ্বাচনত ১০২ খন আসন সামৰি লোৱা হ'ব। দ্বিতীয় পৰ্য্যায়ত অহা ২৬ এপ্ৰিলত ৮৯ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। একেদৰে, তৃতীয় পৰ্য্যায়ত ৭ মে'ত ৯৪ খন আৰু চতুৰ্থ পৰ্য্যায়ত ১৩ মে'ত ৯৬ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। পঞ্চম পৰ্য্যায়ত ২০ মে'ত ৪৯ টা, ষষ্ঠ পৰ্য্যায়ত ২৫ মে'ত ৫৭ টা আৰু পহিলা জুনত সপ্তম তথা অন্তিম পৰ্য্যায়ত ৫৭ টা সমষ্টি সামৰি ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নতুন দিল্লীত নিৰ্বাচনী সময়-সূচী ঘোষণা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, গুজৰাট, তামিলনাডু, পাঞ্জাব, তেলেংগানা, কেৰালা, হাৰিয়াণা, হিমাচল প্ৰদেশ, দিল্লী, মেঘালয় আৰু নাগালেণ্ডসহ ২২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত এটা পৰ্য্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। কৰ্ণাটক, ৰাজস্থান, মণিপুৰ আৰু ত্ৰিপুৰাত দুটা পৰ্য্যায়ত তথা ছত্তিশগড় আৰু অসমত তিনিটা পৰ্য্যায়ত নিৰ্বাচন আনুষ্ঠিত হ'ব। ইয়াৰ বিপৰীতে মধ্য প্ৰদেশ আৰু ঝাৰখণ্ডত চাৰিটা তথা মহাৰাষ্ট্ৰ আৰু জম্মু-কাশ্মীৰত পাঁচটা পৰ্য্যায়ত ভোটগ্ৰহণ কৰা হ'ব। উত্তৰ প্ৰদেশ, বিহাৰ আৰু পশ্চিম বংগত সাতটা পৰ্য্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে হ'বলগীয়া ছিকিম, ওড়িশা, অন্ধ্ৰ প্ৰদেশ আৰু অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰো সময়-সূচী ঘোষণা কৰিছে। ৩২ জনীয়া ছিকিম বিধানসভা আৰু ৬০ জনীয়া অৰুণাচল প্ৰদেশ বিধানসভাৰ বাবে ১৯ এপ্ৰিলত লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে এটা পৰ্য্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

একেদৰে, ১৭৫ জনীয়া অন্ধ্ৰ প্ৰদেশ বিধানসভাৰ বাবে ১৩ মে'ত এটা পৰ্য্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৪৭ জনীয়া ওড়িশা বিধানসভাৰ বাবে লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে ১৩,২০,২৫মে' আৰু পহিলা জুনত চাৰিটা পৰ্য্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ সময়-সূচী ঘোষণা কৰাৰ লগে লগে নিৰ্বাচনী আচৰণ বিধিও বলবৎ হৈছে।

আয়োগ ভাৰতীয় গণতন্ত্ৰৰ সৰ্ববৃহৎ উৎসৱৰ বাবে সম্পূৰ্ণৰূপে সাজু। তেওঁ কয় যে, দেশত ৯৭ কোটি পঞ্জীকৃত ভোটদাতা আছে। ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে চাৰে ১০ লাখৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে আৰু এই কেন্দ্ৰসমূহত ডেৰ কোটিৰো অধিক নিৰ্বাচনী কৰ্মী নিয়োগ কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, এইবাৰৰ নিৰ্বাচনত ১ কোটি ৮২ লাখৰো অধিক ভোটদাতাই প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। তেওঁ কয় যে, আয়োগে ৮৫ বছৰৰ ঊৰ্ধৰ ভোটদাতা আৰু দিব্যাংগসকলৰ বাবে ঘৰৰ পৰাই ভোটদানৰ ব্যৱস্থা কৰিছে। শ্ৰীকুমাৰে কয় যে, ধনবল, বাহুবল, বিভ্ৰান্তিকৰ প্ৰচাৰ আৰু নিৰ্বাচন আচৰণ বিধিৰ উলংঘন আয়োগৰ বাবে বৃহৎ প্ৰত্যাহ্বান। আয়োগে এই প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে সকলো ধৰণৰ পদক্ষেপ লৈছে বুলি মুখ্য আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে, বাহুবলৰ ঘটনা ৰোধ কৰাৰ বাবে ভোটগ্ৰহণৰ দিনা ড্ৰ'ণৰ সহায় লোৱা হ'ব। তেওঁ লগতে কয় যে, নিৰ্বাচনত ৰক্তপাত আৰু হিংসাৰ কোনো স্থান নাই আৰু ভোটগ্ৰহণৰ সময়ত কোনো ঠাইৰ হিংসা সংঘটিত হ'লে আয়োগে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। সুৰা, নগদ ধন, মাদক দ্ৰব্য আৰু অন্য প্ৰলোভনকাৰী সামগ্ৰীৰ বিতৰণৰ ঘটনা নিয়ন্ত্ৰণৰ বাবে বিধি বলবৎকাৰী সংস্থাসমূহক নিৰ্দেশ দিয়া হৈছে বুলি শ্ৰীকুমাৰে প্ৰকাশ কৰে। তেওঁ কয় যে, আয়োগে সংস্থাসমূহক অনলাইনযোগে নগদ ধনৰ হস্তান্তৰৰ ওপৰতো কঠোৰ দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিছে। আৱৰ্জনা ব্যৱস্থাপনা আৰু কাগজৰ ন্যূনতম ব্যৱহাৰ সুনিশ্চিত কৰি বহনক্ষম ৰূপত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিয়া বুলিও আয়োগে উল্লেখ কৰে। ১৬ জুনত বৰ্তমানৰ লোকসভাৰ কাৰ্য্যকালৰ সামৰণি পৰিব। দেশৰ মুঠ ৫৪৩ খন লোকসভা আসনৰ ভিতৰত ৮৪ খন অনুসূচিত জাতি আৰু ৪৭ খন অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত। আমাৰ সংবাদদাতাই জনাইছে যে, লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে বিহাৰ, গুজৰাট, হাৰিয়াণা, মহাৰাষ্ট্ৰ, ঝাৰখণ্ড, উত্তৰ প্ৰদেশ আৰু ত্ৰিপুৰাৰ ২৬ খন বিধানসভা আসনৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাজনৈতিক দলসমূহে লোকসভা আৰু কেইখনমান ৰাজ্যত বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণাৰ প্ৰতি আদৰণি জনাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিজেপি আৰু এন ডি এফ নিৰ্বাচনৰ বাবে সম্পূৰ্ণৰূপে সাজু। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কয় যে, বিজেপি সুশাসনৰ দৃষ্টান্ত আৰু বিভিন্ন ক্ষেত্ৰত কৰা কামৰ আধাৰত জনসাধাৰণৰ কাষ চাপিব। তেওঁ কয় যে, ১০ বছৰ পূৰ্বে তেওঁ ক্ষমতালৈ অহাৰ আগেয়ে দেশৰ জনসাধাৰণ প্ৰবঞ্চনাৰ বলি হোৱা যেন অনুভৱ কৰিছিল আৰু কোনো এটা ক্ষেত্ৰ দুৰ্নীতি আৰু নীতি স্থৱিৰতাৰ পৰা হাত সৰা নাছিল। প্ৰধানমন্ত্ৰীয়ে কয় যে, ১৪০ কোটি জনতাৰ শক্তিৰে দেশে উন্নয়নৰ নতুন অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে আৰু বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰূপে পৰিগণিত হৈছে। কোটি কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হোৱা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, সমগ্ৰ দেশৰ জনসাধাৰণে চৰকাৰী আঁচনিসমূহৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। শ্ৰীমোদীয়ে কয় যে, বৰ্তমান চৰকাৰৰ তৃতীয় কাৰ্য্যকালত দুৰ্নীতি আৰু দৰিদ্ৰতা বিৰোধী যুঁজখন অধিক ত্বৰান্বিত হ'ব।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কয় যে, নিৰ্বাচন গণতন্ত্ৰৰ সৰ্ববৃহৎ উৎসৱ। তেওঁ লগতে আসন্ন নিৰ্বাচনত অভিলেখ হাৰত ভোটদানৰ বাবে আগবাঢ়ি আহিবলৈ আৰু বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ ভেঁটি সৱল কৰি তুলিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয় যে, লোকসভা নিৰ্বাচনে ভাৰতৰ বাবে ন্যায়ৰ দ্বাৰ মুকলি কৰিব। এয়া সম্ভৱতঃ গণতন্ত্ৰক ৰক্ষা কৰাৰ অন্তিম সুযোগ বুলিও তেওঁ মন্তব্য কৰে।

আম আদমী পাৰ্টীৰ নেতা গোপাল ৰায়েও নিৰ্বাচনী সূচী ঘোষণাৰ প্ৰতি আদৰণি জনাইছে। তেওঁ কৈছে যে, দলটো আসন্ন নিৰ্বাচনৰ বাবে সম্পূৰ্ণৰূপে সাজু আৰু ই ইণ্ডি মিত্ৰজোটৰ সৈতে পূৰ্ণ শক্তিৰে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ উদ্যোগত আজি কেন্দ্ৰটোৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে এখন কৰ্মশালা অনুষ্ঠিত হয়। বাতৰি বিভাগৰ জ্যেষ্ঠ, কনিষ্ঠ কৰ্মীসকলৰ বাবে আয়োজিত এই কৰ্মশালাত দি আছাম ট্ৰিবিউন কাকতৰ কাৰ্যবাহী সম্পাদক পি জে বৰুৱা আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভিযান্ত্ৰিক বিভাগৰ সঞ্চালক আৰ চি বড়োৱে অংশগ্ৰহণ কৰে। দুয়োগৰাকী সমল ব্যক্তিয়ে বাতৰি পৰিবেশন শৈলী আৰু লোকসভা নিৰ্বাচনৰ সময়ছোৱাত বাতৰি পৰিবেশনৰ ক্ষেত্ৰত মানি চলিবলগীয়া নিয়মাৱলীৰ বিষয়ে বিতংভাবে আলোচনা কৰে। ইয়াৰ পাছতে সামাজিক মাধ্যমৰ বিশেষজ্ঞ ছালিক খানে সামাজিক মাধ্যমৰ বিভিন্ন দিশ আৰু ইয়াৰ প্ৰয়োগ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। আকাশবাণীৰ বাবে বাতৰি পৰিৱেশনৰ বিষয়ে বক্তৃতা দিয়ে বাতৰি পৰিৱেশক উৎপল কুমাৰ দাস আৰু অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানৰ অন্তত আকাশবাণী গুৱাহাটীৰ বাৰ্তা সম্পাদক মানস প্ৰতীম শৰ্মা আৰু সংবাদদাতা আমিনুল হক জৰাদ্দাৰে আকাশবাণীৰ বাবে বাতৰি প্ৰস্তুত কৰা আৰু নিৰ্বাচনৰ সময়ত বাতৰি লিখাৰ ক্ষেত্ৰত ল'বলগীয়া সতৰ্কতাৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত অতিথিসকলক একোখন ফুলাম গামোচা আৰু একোটা ৰেডিঅ' প্ৰদানেৰে সম্ভাষণ জনোৱা হয়।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ ২৩ মাৰ্চত পাঁচ দিনীয়া ভ্ৰমণসূচীৰে ছিংগাপুৰ, ফিলিপিনছ্ আৰু মালয়েছিয়ালৈ যাব। এই ভ্ৰমণকালত তিনিওখন দেশৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্বন্ধৰ উন্নতিত গুৰুত্ব দিয়া হ'ব। ইয়াৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক বিষয়ত শ্ৰী জয়শংকৰে মত বিনিময় কৰিব।

০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

০০০০০০০

ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ কাইলৈ দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত  হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ডেল্‌হি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰে যোৱানিশা দিল্লীত অনুষ্ঠিত এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছক ৫ ৰানত পৰাস্ত কৰি মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে ১৩৬ ৰানৰ বিজয় লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৩০ ৰান কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৩৫ ৰান কৰে।

ডেল্‌হি কেপিটেলছে প্ৰতিযোগিতাৰ ৮ খন খেলৰ ভিতৰত ছখনত জয়লাভ কৰাৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে চাৰিখন খেলতহে জয়ী হৈছে।

০০০০০০০

সমাপ্ত